দৈনিক
অগ্রদূত
যোৰহাট, ২৩ ছেপ্টেম্বৰ, ২০১৭ শনিবাৰ পৃষ্ঠা তিনি

তেজপুৰ হাস্পতালত অদ্ভুত আকৃতিৰ শিশুৰ জন্ম

অগ্রদূত বার্তা

তেজপুৰ, ২২ ছেপ্টেম্বৰ ঃ তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত প্রায় এলিয়েনৰ দৰে এটি অদ্ভুত শিশুৰ জন্ম হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। শিশুটিৰ অৱয়বে পৰিয়ালৰ লোকসকলৰ মাজত হাহাকাৰৰ সৃষ্টি কৰাৰ বিপৰীতে চিকিৎসক আৰু নার্ছসকলো স্তম্ভিত হৈ পৰে। কেইদিনমান পূৰ্বে বৰঘাট অঞ্চলৰ এটা দৰিদ্ৰ পৰিয়ালৰ গর্ভৱতী মহিলাগৰাকীক তেজপুৰ চিভিলত ভর্তি কৰাইছিল। ইয়াৰ পাছতে মহিলাগৰাকীয়ে যোৱা ২০ ছেপ্টেম্বৰৰ পুৱা ছমান বজাত সাধাৰণ অৱস্থাত এটি মৃত শিশুৰ জন্ম দিয়ে। দেখাত এলিয়েনৰ *আঠ পৃষ্ঠাত চাওক*

বান ক্ষতিগ্রস্তক অনুমোদনপত্র মন্ত্রী দলেৰ

'স্বচ্ছতাই সেৱা' অভিযানত পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী নৰ কুমাৰ দলে, নাৰায়ণপুৰত শুকুৰবাৰে।

ধেমাজিত কে'বাখনো আঁচনি উদ্বোধন

বিশেষ সংবাদদাতা/অগ্রদূত বার্তা

লখিমপুৰ/ধেমাজি, ২২ ছেপ্টেম্বৰ ঃ শেহতীয়া প্রলয়ংকৰী বানত ক্ষতিগ্রস্ত হোৱা লখিমপুৰৰ একাংশ বানাক্রান্তই সাহায্যৰ অনুমোদনপত্র প্রদান কৰিলে পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী নৰ কুমাৰ দলেই। আজি লখিমপুৰত 'স্বচ্ছতাই সেৱা' অনুষ্ঠান আৰম্ভ কৰি মন্ত্রী দলেই নগৰৰ সমীপস্থ বগলীজান অঞ্চলৰ বানত ক্ষতিগ্রস্ত লোকক উক্ত অনুষ্ঠানৰ আধাৰত সাহায্য অনুমোদনপত্র প্রদান কৰে। বানত ক্ষতিগ্রস্তৰ পুনৰ সংস্থাপনৰ উদ্দেশ্যে উক্তৰ লখিমপুৰ ৰাজহ চক্রৰ হাতীলুং গাঁৱৰ ২৪৫ টা পৰিয়াল আৰু নাওবৈচা ৰাজহ চক্রৰ উজনি খমেটি বালিগাঁৱৰ ১৫৬ টা পৰিয়ালক এই অনুমোদনপত্র বিতৰণ কৰা হয়। এই অনুষ্ঠানত মন্ত্রী দলেৰ উপৰি সাংসদ প্রদান বৰুৱা, জিলা উপায়ুক্ত বৰুণ ভূএঞাৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী-বিষয়া উপস্থিত থাকে। ইফালে, আজিয়ে মন্ত্রী দলেই মৰিডিংক্রু জনজাতি হাইস্কুল প্রাংগণত এম জি এনৰেখাৰ ৬.১৫ লাখ টকীয়া আঁচনি এখন মুকলি কৰে। লগতে তেওঁ টেমেৰা প্রাথমিক বিদ্যালয়ত আয়োজিত এখন সভাত অংশ লৈ ছগৰাকী বান ক্ষতিগ্রস্ত লোকক গাইপতি ৯৫ হেজাৰকৈ টকাৰ অনুমোদনপত্র প্রদান কৰে। গ্রামোন্নয়ন মন্ত্রীজনে বিয়লিৰ ভাগত ঢকুৱাখনাৰ ঘিলামৰাৰ মেলেকীগাঁৱত উপস্থিত হৈ বান বিধ্বস্ত ৰাইজৰ স'তে মত বিনিময় কৰাৰ *আঠ পৃষ্ঠাত চাওক*

জুৰীয়াৰ এখন বিদ্যালয়ৰ শ্রেণী কোঠাত তেজৰ চেঁকুৰা

অগ্রদূত বার্তা

জুৰীয়া, ২২ ছেপ্টেম্বৰ ঃ গামোচা দাহৰ ঘটনাৰ প্রতিক্রিয়া মাৰ নৌযাওঁতেই জুৰিয়াত আজি আন এক ৰহস্যজনক ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। নগাঁও জিলাৰ জুৰিয়া থানাৰ অন্তর্গত কদমনি টাউন মধ্য ইংৰাজী বিদ্যালয়ৰ ভিতৰে বাহিৰে আজি পুৱা তেজৰ চেঁকুৰা উদ্ধাৰ হোৱাত ঘটনাটোক কেন্দ্র কৰি চেপা উত্তেজনাৰ সৃষ্টি হয়। লক্ষ্যণীয়ভাৱে উক্ত বিদ্যালয়ৰ সন্মুখতে

পাঠদানৰ পৰা বিৰত আতংকিত ছাত্র-ছাত্রী

সংঘটিত হৈছিল ৰাজ্য কঁপোৱা গামোচা দাহ কাণ্ড। ঘটনাৰ বিৱৰণী মতে, আজি পুৱা একাংশ ছাত্র-ছাত্রীয়ে বিদ্যালয়ত উপস্থিত হোৱাৰ পাছত এটা শ্রেণী কোঠা প্রথমে তেজৰ চেকুৰা প্রত্যক্ষ কৰে। আনকি বিদ্যালয়ৰ সন্মুখভাগ তথা পথতো তেজৰ ডোঙা প্রত্যক্ষ কৰাত ছাত্র-ছাত্রী তথা শিক্ষকৰ মাজত হুৱাদুৱা লাগে। এই ঘটনাত আতংকিত হৈ একাংশ ছাত্র-ছাত্রীয়ে চিএঞৰ-বাখৰ পর্যন্ত কৰিছিল। *আঠ পৃষ্ঠাত চাওক*

১১ ঘণ্টাৰ শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ পাছত ধুবুৰীত উপস্থিত

৫৯জন যাত্রীসহ ব্রহ্মপুত্রত ১১ ঘণ্টা আবদ্ধ যাত্রীবাহী লঞ্চ

অগ্রদূত বার্তা

ধুবুৰী, ২২ ছেপ্টেম্বৰ ঃ ব্রহ্মপুত্রৰ বুকুত যোৱা নিশা এক শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি হয়। এখন যাত্রীবাহী লঞ্চৰ ইঞ্জিনৰ যান্ত্রিক বিজুতি ঘটি ৰৱলুইতৰ বুকুত আবদ্ধ হৈ থকাৰ সুদীর্ঘ ১১ ঘণ্টাৰ পাছত গন্তব্যস্থান ধুবুৰী পাৰঘাটত উপস্থিত হয়। উল্লেখ্য যে ৫৯জন যাত্রীসহ হাটশিঙিমাৰীৰ কোকৰাডাঙা ঘাটৰ পৰা কালি দিনৰ আঁচেমান বজাত ধুবুৰীলৈ যাত্রা আৰম্ভ কৰিছিল এখন যাত্রীবাহী লঞ্চ। কিন্তু লঞ্চখনে যাত্রাৰম্ভ কৰাৰ প্রায় ডেৰ ঘণ্টামান পাছতেই দক্ষিণ শালমাৰাৰ মইনুল দেৱানীৰ চৰৰ ওচৰ পোৱাৰ লগে লগে ইঞ্জিনৰ যান্ত্রিক বিজুতি ঘটে। ফলত লঞ্চৰ ইঞ্জিন বন্ধ হৈ পৰাৰ পাছত মইনুল দেৱানীৰ চৰত বান্ধি ৰখা হয়। যাত্রীসকলে উল্লেখ কৰা মতে, ইঞ্জিনৰ কোনো ধৰণৰ মেৰামতি নকৰাকৈ প্রায় তিনি ঘণ্টা সময় চৰত আবদ্ধ হৈ থাকে লঞ্চখন। ফলত হাহাকাৰ সৃষ্টি হয় যাত্রীসকলৰ মাজত। কণ কণ শিশুসকলক লৈ চিন্তিত হৈ পৰে অভিভাৱকসকল। প্রাণৰ শংকাত চিএঞৰ-বাখৰ আৰম্ভ কৰা যাত্রীসকলে লঞ্চৰ চালকক যাত্রীসকলৰ বাবে বিকল্প ব্যৱস্থা কৰাৰ দাবী *আঠ পৃষ্ঠাত চাওক*

নিষেধাজ্ঞা সত্ত্বেও অত্যধিক বোজাই লৈ বিপদ সংকুলভাৱে পাৰাপাৰ

ফেৰীত যাত্রী, গাড়ী, দুচকীয়া বাহনৰ পৰিমাণ, ওজন নির্দিষ্ট কৰাৰ দাবী

অগ্রদূত বার্তা

কমলাবাৰী, ২২ ছেপ্টেম্বৰ ঃ মাজুলীৰ পৰা নিমাতীঘাটলৈ চলা ফেৰীসমূহ বহুযুগীয়া লেছীৰ কৰাল গ্রাসৰ পৰা প্রশাসনে মুক্ত কৰিলে যদিও নাৰৰ মালিকসকলে ইতিহাসৰ পৰা শিক্ষা নল'লে। এই পাৰঘাটসমূহৰ নাওসমূহৰ পৰিমাণ ক্ষমতা কোনোদিনে কোনেও নির্ধাৰণ নকৰাৰ ফলত অত্যধিক বোজাই কঢ়িওৱা বিষয়টো ৰহস্যজনকভাৱে তল পেলাই থয় এচাম মধ্যভোগীৰ সহযোগত। মাজুলী জিলা আৰু যোৰহাট জিলা প্রশাসনে নাৰৰ মালিকসকলক বাৰে বাৰে সকীয়নি দিয়াৰ পাছতো আংগুষ্ঠ দেখুৱাই পাণ জপাদি যাত্রী কঢ়িয়ায়। তদুপৰি গাড়ী, দুচকীয়া বাহন, বয়বস্তুৰ লগতে মাছৰ বজাৰখনো চলে যাত্রীবাহী ফেৰীখনতে। কেৱল ব্যক্তিগত মালিকানাধীন ফেৰীত দুৰৰে কথা, জল পৰিবহণ বিভাগৰ দ্বাৰা চলোৱা ফেৰীসমূহৰো বহন ক্ষমতাৰ নির্দিষ্ট পৰিমাণ নাথাকে। যাত্রীয়ে আসনত বহিবলৈ নাপায়, থিয় হৈয়ে দুঘণ্টীয়া যাত্রা কৰে। নাৰৰ বডীৰ ওপৰত মটৰ চাইকেল *আঠ পৃষ্ঠাত চাওক*

প্রশাসনৰ নির্দেশকো আওকাণ কৰি বিপদসংকুলভাৱে ফেৰী যাত্রা মাজুলীত।

সোঁতৰ বিপৰীতে

নিশা আ�ৰক্ষীয়ে শূন্যলৈ গুলি চলাই খেদি ধৰিলে দুই অৰুণাচলী দুর্বৃত্তক

অগ্রদূত বার্তা

বিশ্বনাথ চাৰিআলি, ২২ ছেপ্টেম্বৰ ঃ বিশ্বনাথত নিশা আৰক্ষীয়ে খেদি খেদি আটক কৰিলে দুই দুর্ধর্ষ অৰুণাচলী দুর্বৃত্ত। নিশা বিশ্বনাথ আৰক্ষীৰ পেট্রা'লিং চলি থকা সময়ত দুর্বৃত্তদ্বয়ে বিশ্বনাথৰ কল্যাণপুৰৰ লিচুবাৰিত চুৰি কার্য সংঘটিত কৰিবলৈ চেষ্টা চলাওঁতেই পেট্রা'লিং দলৰ সন্মুখীন হয়। আৰক্ষীৰ সোধ-পোছ চলি থাকোতে দুয়োজনে পলাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত খেদি খেদি ধৰিবলৈ সক্ষম হয়। দুয়োজন পলায়নৰ সময়ত পেট্রা'লিঙত অহা আৰক্ষীয়ে প্রথমে কোনো উগ্রপন্থী সংগঠনৰ সদস্য বুলি ভাবি শূন্যলৈ এজাই গুলি ফুটাবলৈও বাধ্য হয়। ধৃত চোৰ দুজন ৰেম' ব'জে (১৯) আৰু দপকেন ব'জিৰ (২০) বুলি *আঠ পৃষ্ঠাত চাওক*

গোৱালপাৰাত চুলাই মদৰ বিৰুদ্ধে অভিযান

চুলাইৰ ঘাটিত ১০ হেজাৰ লিটাৰ মদৰ বাচন-বর্তন দিলে জ্বলাই

অগ্রদূত বার্তা

মাটিয়া, ২২ ছেপ্টেম্বৰ ঃ গোৱালপাৰা আৰক্ষীয়ে আজি অভিযান চলাই চহৰৰ জ্যোতি নগৰত থকা চুলাই মদৰ ঘাটি উচ্ছেদ কৰাৰ লগতে ঘাটিত থকা ১০ হেজাৰ লিটাৰ চুলাই মদ নষ্ট কৰে। অভিযান কালত চুলাই মদৰ ঘাটিত কর্মৰত শ্রমিকসকলে পলায়ন কৰে। আৰক্ষীয়ে জব্দকৃত চুলাই মদসমূহ মাটিত পেলাই দিয়ে আৰু পাছত মদ তৈয়াৰত ব্যৱহৃত সামগ্রীসমূহ এক ত্রিত কৰি জ্বলাই দিয়ে। জ্যোতি নগৰৰ এই চুলাই মদৰ ঘাটিৰ পৰাই গোৱালপাৰা জিলাৰ বিভিন্ন প্রান্তলৈ চুলাই মদৰ *আঠ পৃষ্ঠাত চাওক*

বাগ্সা প্রশাসনৰ কাম চলে ৰঙিয়া ধাবাত ঃ নিশা সাংবাদিকক দেখা পাই পলায়ন

অগ্রদূত বার্তা

ৰঙিয়া, ২২ ছেপ্টেম্বৰ ঃ সর্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰে যিমানেই নিকা দুর্নীতি মুক্ত আৰু স্বচ্ছ প্রশাসনৰ পোষকতা কৰি আহিছে, সিমানেই যেন একাংশ বিষয়াই দুর্নীতিৰ বোকাত লুতুৰি, পুতুৰি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। যোৱা১৯ ছেপ্টেম্বৰৰ নিশা প্রায় ১০ বজাত ৰঙিয়াৰ ৰাষ্ট্রীয় ঘাইপথৰ সমীপৰ এখন ধাবাত বাক্সা জিলাৰ একাংশ চৰকাৰী বিষয়াক চৰকাৰী কাম কৰি থকা অৱস্থাত ৰঙিয়াৰ সাংবাদিকৰ দল এটাই ধৰা পেলোৱাত হুৱা-দুৱাৰ সৃষ্টি হয়। ডি আৰ ডি এ বিভাগৰ একাংশ বিষয়াই নিশা ১০ বজাত ৰঙিয়া ধাবাত বিলত চহী কৰি থকা অৱস্থাত সাংবাদিকে গোপন সূত্রত খবৰ পাই ধাবাত উপস্থিত হয়। সাংবাদিকৰ দলটোক দেখা পোৱাৰ লগে লগে বিষয়াৰ দলটো *আঠ পৃষ্ঠাত চাওক*

বকোত মুমূর্ষু অৱস্থাত উদ্ধাৰ চৰকাৰী কর্মচাৰী নিচাযুক্ত দ্রব্য পান কৰাই তিনি লক্ষাধিক টকা লুট

অগ্রদূত বার্তা

বকো, ২২ ছেপ্টেম্বৰ ঃ আজি বকোৰ জে এন কলেজৰ সন্মুখৰ ৩৭ নম্বৰ ঘাইপথৰ দাঁতিত থকা এটা জিৰণি ঘৰৰ পৰা মুমূর্ষু অৱস্থাত এজন চৰকাৰী কর্মচাৰী উদ্ধাৰ হয়। নিচেই পুৱা প্রাতঃভ্রমণলৈ অহা স্থানীয় লোকে মুমূর্ষু অৱস্থাত বঙাইগাঁও জিলাৰ চলন্তপাৰাৰ মনো�ৰাৰ হুছেইন (৪৩) নামৰ লোকজনক প্রত্যক্ষ কৰি বকো আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে লোকজনক উদ্ধাৰ কৰাৰ পাছত তেওঁ নিজকে গোৱালপাৰা জিলাৰ নয়াপাৰাত থকা চৰ উন্নয়ন প্রকল্পৰ কর্মচাৰী বুলি পৰিচয় দিয়ে। কেইজনমান লোকে চলনাৰে গাড়ীত তুলি আনি নিচাযুক্ত দ্রব্য পান কৰাই ধন লুট কৰি তেওঁক সেইদৰে পেলাই যোৱা বুলি হুছেইনে আৰক্ষীক অৱগত কৰিছে। চৰকাৰী কর্মচাৰীজনে জনোৱা মতে, কালি তেওঁ গুৱাহাটীৰ পৰা নিজ গৃহলৈ যাবলৈ বাছৰ বাবে ৰৈ থকা অৱস্থাত এখন চাৰিচকীয়া বাহনত অহা অচিনাক্ত লোক দুজনমানে একে স্থানলৈ যাব বুলি গাড়ীত উঠিবলৈ অনুৰোধ কৰে। যাত্রীবাহী বাছত যোৱাতকৈ চাৰিচকীয়া সৰু বাহনত গ'লে সোনকালে *আঠ পৃষ্ঠাত চাওক*

মৰাণত পুনৰ দুটাকৈ মৃতদেহ উদ্ধাৰ

আত্মহত্যাৰ সন্দেহ

অগ্রদূত বার্তা

মৰাণ, ২২ ছেপ্টেম্বৰ ঃ যোৱা ২৪ ঘণ্টাৰ ভিতৰত মৰাণত তিনিটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্র অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি পুৱা মৰাণ আৰক্ষী থানাৰ অন্তর্গত পানীতোলা বৰবিল গাঁৱৰ এটা পথৰ কাষৰ নলাত এজন যুবকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত আজি পুৱা পুনৰ দুটা মৃতদেহ উদ্ধাৰ হয়। আজি পুৱা থানাখনৰ অন্তর্গত এক নম্বৰ ডোমৰদলং *আঠ পৃষ্ঠাত চাওক*

তেজপু�ৰৰ বেংকত দুর্বৃত্তই লকাৰ কাটি নিলে ধন

অগ্রদূত বার্তা

তেজপুৰ, ২২ ছেপ্টেম্বৰ ঃ তেজপুৰৰ নিকটৰর্তী খেলমাটিস্থিত ভাৰতীয় ষ্টেট বেংকৰ কৃষি উন্নয়ন শাখাত যোৱা নিশা দুর্বৃত্তৰ দলে প্রৰেশ কৰি লকাৰ ভঙা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্রে জানিব পৰা মতে, বেংকটোৰ পিছ অংশৰ খিৰিকী আৰু গ্রীল গেছৰ সহায়ত কাটি বেংকটোৰ ভিতৰত প্রৰেশ কৰা দুর্বৃত্তই বেংকটোৰ প্রৰেশ কক্ষত থকা চি চি টিভি কেমেৰাটোও খুলি নিয়ে। দুর্বৃত্তই বেংকৰ লকাৰ ভাঙিবলৈ সক্ষম হয় যদিও বিশেষ ধন নিবলৈ সক্ষম নহ'ল বুলি প্রকাশ কৰিছে তদন্তকাৰী আৰক্ষীয়ে। *আঠ পৃষ্ঠাত চাওক*

আত্মসমর্পণকাৰী-আলোচনাপন্থী আলফাক বিভক্ত কৰাৰ ষড়যন্ত্র চৰকাৰৰ

'ভূমিপুত্রৰ হকে সংগ্রাম চলাবলৈ সংযুক্ত খিলঞ্জীয়া জাতীয় পৰিষদ, অসম' গঠন

মহানগৰ বার্তা

গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ 'স্বাধীন অসম তথা অসম অসমীয়াৰ স্বার্থত আমি এদিন বন্দুক তুলি লৈছিলো। আত্মসমর্পণ কৰিলেও আমাৰ স্থিতি আমি আজিও অটল; কিন্তু আমাৰ অনৈক্যতাৰ সুযোগ লৈ চৰকাৰে আমাৰ দাবীসমূহ আজিও কার্যকৰী কৰা নাই।' এই মন্তব্য সদৌ অসম আত্মসমর্পণকাৰী আলফা সমিতিৰ সভাপতি ৰাজ কুমাৰ দুৰৰাৰ। আজি ইয়াত এক সংবাদমেলত তেওঁ পুনৰ কয়, 'আলফাৰ পৰা আহি আত্মসমর্পণ কৰা আৰু চৰকাৰৰ স'তে আলোচনাত থকা আমাৰ সকলোৱে স্বার্থ এক। সেয়েহে আমি বিচাৰিছিলো সকলোৱে একেলগে এটা সংগঠনত থাকি আমাৰ সংগ্রাম চলাই যাম; কিন্তু কার্যক্ষেত্রত তেনে নহ'ল। অনুপ চেতিয়া, অৰবিন্দ ৰাজখোৱা, মৃণাল হাজৰিকা, জিতেন দত্ত সকলোৱে বেলেগ বেলেগ দল হ'ল। ইয়াৰ সুযোগতে আমাক বিভিন্ন দলত বিভক্ত কৰি আমাৰ সংগ্রাম মষিমূৰ কৰাৰ ষড়যন্ত্র, ৰচনা কৰিছে চৰকাৰে।' এই সন্দর্ভত অনুপ চেতিয়াকো তীব্র *আঠ পৃষ্ঠাত চাওক*

বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ মইমতালি

সভাপতিৰ বিৰুদ্ধে অনাস্থা প্রস্তাৱ ৰাজহুৱা সভাৰ

অগ্রদূত বার্তা

গৌৰীসাগৰ, 22 চেপ্তেম্বৰ ঃ শিৱসাগৰ জিলাৰ গৌৰীসাগৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান খনাখোকোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ কলিতাই ক্ষমতাৰ অপ প্রয়োগেৰে উভতগোৰে নচাত বিদ্যালয়খনৰ প্রশাসনিক তথা শৈক্ষিক দিশত যথেষ্ট ক্ষতি হোৱাৰ অভিযোগ তুলিছে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রী,ছাত্র-ছাত্রী তথা অভিভাৱক সকলে। উল্লেখ্য যে বৃহত্তৰ গৌৰীসাগৰ-দিখৌমুখ অঞ্চলৰ ভিতৰতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুনাম অর্জন কৰা বিদ্যালয়খনত এগৰাকী বিতর্কিত ব্যক্তিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিয়াত আৰম্ভণীৰ পৰাই বিদ্যালয় ভিতৰ চৰাত এক *আঠ পৃষ্ঠাত চাওক*

নদু�ৰাৰত অসমীয়া মহিলাৰ চমক

শতাধিক দুর্গা মূর্তি নির্মাণত ব্যস্ত একাংশ মহিলা

অগ্রদূত বার্তা

নদুৰাৰ, ২২ ছেপ্টেম্বৰ ঃ শাৰদীয় দুর্গোৎসৱলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা মুহূর্তত এতিয়া ব্যস্ততা বৃদ্ধি পাইছে পূজা সমিতিসমূহৰ লগতে মৃণ্ময় শিল্পীসকলৰ। নদুৰাৰৰ অন্তর্গত জামুগুৰিহাটৰ চেচাসত্রৰ এগৰাকী ত্রিছোৰ্ধ্ব মহিলাই অঞ্চলটোত চমক সৃষ্টি কৰিছে শতাধিক দেৱ-দেৱীৰ মূর্তি নির্মাণ কৰি। যোৱা ১৫-১৬ বছৰ ধৰি চেচাসত্রৰ ৰবী দাস ব্যস্ত হৈ আছে প্রতিমা নির্মাণত। বর্তমান নির্মাণ কৰি *আঠ পৃষ্ঠাত চাওক*

হাজোত জুৰাখেল পতাক লৈ উত্তেজনা

দাৰ ঘাপত আহত এজনক জি এম চি এইছলৈ প্রেৰণ

অগ্রদূত বার্তা

হাজো, ২২ ছেপ্টেম্বৰ ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্রৰ অন্তর্গত হিৰাজেনীত ঈদৰ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত জুৰাখেল পতাক লৈ দুই ফৈদৰ সংঘর্ষত এজন যুবক গুৰুতৰভাৱে আহত হোৱা ঘটনাই অঞ্চলটোত তীব্র উত্তেজনাৰ সৃষ্টি কৰিছে। যোৱা ২০ ছেপ্টেম্বৰৰ নিশা প্রায় ন বজাত বামুণবড়ী গাঁৱৰ মতিউৰ ৰহমানৰ পুত্র চাহাবুদ্দিন আহমেদে হিৰাজেনী গাঁৱত ঈদৰ সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান চাবলৈ গৈ থাকোতে তফজুল আলী, ছাদ্দাম আলী, ইকবাক আলী, আফটাৰ আলী আৰু মকবুল আলী নামৰ লোককেইজনৰ ঘৰৰ *আঠ পৃষ্ঠাত চাওক*

নগাঁৱত গাঞ্জাসহ দুই ব্যৱসায়ী গ্রেপ্তাৰ

বিশেষ সংবাদদাতা

নগাঁও, ২২ ছেপ্টেম্বৰ ঃ নগাঁও সদৰ আৰক্ষী আৰু হয়বৰগাঁও আৰক্ষীয়ে আজি পৃথকে পৃথকে অভিযান চলাই বুজন পৰিমাণৰ গাঞ্জাসহ দুজন গাঞ্জা ব্যৱসায়ীক গ্রেপ্তাৰ কৰিবলৈ সক্ষম হয়। হয়বৰগাঁও আৰক্ষীয়ে চহৰখনৰ ৰূপহী পথৰ ইটাপাৰাত এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই বুজন পৰিমাণৰ গাঞ্জাসহ এজন *আঠ পৃষ্ঠাত চাওক*

GNRC
Quality - Value - Trust

পেইন ক্লিনিক

অহা **২৪ ছেপ্টেম্বৰ** তাৰিখে ভাৰতবর্ষৰ আগশাৰীৰ বিষ নিৰাময় কেন্দ্র **'দৰদিয়া পেইন ক্লিনিক'ৰ ডাঃ গৌতম দাস (MD, FIPP)** পৰামর্শ আৰু চিকিৎসাৰ বাবে জিএনআৰচি দিছপুৰত উপস্থিত থাকিব। উক্ত দিনা নিম্নলিখিত বিষয়সমূহৰ চিকিৎসা আগবঢ়োৱা হ'ব।

- মূৰৰ বিষ
- ছায়েটিকা (Sciatica)
- গাঁঠিৰ বিষ
- এটিপিকেল ফেচিয়েল পেইন (Atypical Facial Pain)
- প'ষ্ট হার্পেটিক নিউৰেল্জিয়া (Post Herpetic Neuralgia)
- ফেইলড্ বেক ছার্জাৰী ছিণ্ড্রম (Failed Back Surgery Syndrome)
- শ্লিপড্ ডিস্ক (Slipped Disc)
- ট্রাইজেমিনেল নিউৰেল্জিয়া (Trigeminal Neuralgia)
- চার্ভিকেল স্পণ্ডিল'ছিছ (Cervical Spondylosis)

ইত্যাদি

আগতীয়াকৈ নাম পঞ্জীয়নৰ বাবে যোগাযোগৰ নম্বৰ

18003450022

info@gnrchospitals.com www.gnrchospitals.com